بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**বদৰৰ যুদ্ধ সংক্ৰান্তে আঁহজৰত (ছাঃ)ৰ জীৱনী আৰু ঐতিহাসিক ঘটনা সমূহৰ ঈমান উদ্দীপক বৰ্ণনা। মিডল ইষ্ট এচিয়াৰ যুদ্ধ পৰিস্থিতি সম্পৰ্কে দোৱাৰ তেহেৰিক।**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৩ অক্টোবৰ ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পছিত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বদৰৰ যুদ্ধৰ সময়ত আৰু তাৰে পৰা ঘূৰি অহা লৈকে আঁহজৰত (ছাঃ)ৰ লগত ঘটা কিছুমান ঘটনাৰ বৰ্ণনা চলি আছিল। সেই ঘটনা বিলাকৰ মাজত আঁহজৰত (ছাঃ)ৰ সৈতে পতা আয়শা ছিদ্দিকা (ৰাঃ)ৰ বিয়া সম্পৰ্কেও উল্লেখ আছে। সেই কাৰণে ইয়াতেই সেই বিবাহ সম্পৰ্কে এটা বৰ্ণনা আগবঢ়াবলৈ লৈছো।

উম্মুল মোমিনিন হজৰত খাদিজা (ৰাঃ)ৰ মৃত্যুৰ পিছত এদিন হজৰত উচমান বিন মজউন (ৰাঃ)ৰ পত্নী খওলা বিনতে হেকিম (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ ওচৰত গৈ আবেদন জনায় যে হে আল্লাহৰ ৰছুল! আপুনি আৰু বিয়া নকৰাব নে ? তেতিয়া তেখেত (ছাঃ)য়ে সুধিছিল, কাৰ সৈতে বিয়া পাতিম ? খওলা কৈছিল যে যদি আপুনি বিচাৰে তেন্তে অবিবাহিতা ছোৱালীও আছে আৰু বিধৱা মহিলাও আছে। আঁহজৰত (ছাঃ)য়ে প্ৰশ্ন কৰাত খওলা (ৰাঃ)য়ে জনায় যে অবিবাহিতা ছোৱালী হ'ল হজৰত আবু বক্কৰ (ৰাঃ)ৰ জীয়েক আয়শা (ৰাঃ)আৰু বিধৱা জনী হ'ল ছওদা বিনতে জমিয়া। তেতিয়া হুজুৰ (ছাঃ)য়ে কৈছিল যে যোৱা সেই দুয়ো পৰিয়ালৰ সৈতে মোৰ বিষয়ে আলোচনা কৰাগৈ। হজৰত খওলা (ৰাঃ) গৈ প্ৰথমে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ ঘৰত হজৰত আয়শা সম্পৰ্কে বিয়াৰ প্ৰস্তাৱ আগবঢ়ায়। হজৰত আবু বক্কৰ (ৰাঃ)য়ে সেই প্ৰস্তাৱিত সন্মতি প্ৰদান কৰে আৰু আঁহজৰত (ছাঃ)ৰ সৈতে হজৰত আয়শা (ৰাঃ)ৰ বিয়া পাতি দিয়ে। হজৰত আয়শা (ৰাঃ)য়ে কৈছে যে মোৰ বিয়াৰ পিছত হুজুৰ (ছাঃ)য়ে মোক কৈছে যে আমাৰ বিয়া সম্পন্ন হোৱাৰ আগতে তেখেত (ছাঃ)য়ে মোক দুবাৰ সপোনত দেখিবলৈ পাইছে।

যেতিয়া হজৰত আয়শা (ৰাঃ)ৰ বিয়া সম্পন্ন কৰা হৈছিল, তাইৰ বয়স আঁহজৰত (ছাঃ)ৰ তুলনাত কম থকা

সত্ত্বেও কোনো মুনাফিকে কোনো ধৰণৰ অভিযোগ উত্থাপন কৰা নাছিল। যদি তেখেত দুয়োজনৰ বয়স সম্পৰ্কে কোনো ধৰণৰ আপত্তিৰ ঠাই থাকিল হয় তেন্তে এওঁলোকে নিশ্চয় অভিযোগ উঠালেহেঁতেন। হজৰত মছীহ মাওউদ মাওউদ (আঃ)য়ে কৈছে যে হজৰত আয়শা (ৰাঃ)ৰ বয়স ৯ বছৰ হোৱাটো কেৱল এটা ভিত্তিহীন কথা।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে হজৰত আয়শা (ৰাঃ)ৰ গুণাৱলী সম্পৰ্কে বৰ্ণনা কৰোঁতে কৈছে যে তাই কম বয়সীয়া হোৱা সত্ত্বেও তাইৰ মুখস্থ শক্তি আৰু স্মৃতি শক্তি বৰ প্ৰখৰ আছিল আৰু আঁহজৰত (ছাঃ)ৰ শিক্ষা আৰু প্ৰশিক্ষণৰ ফলত বেগেৰে উন্নতিৰ বাটত আগুৱাই আহিছিল। আচলতে সকুতেই তাইক আঁহজৰত য়ে নিজৰ ঘৰলৈ লৈ অনাৰ উদ্দেশ্য আছিল যাতে তাইক ভালদৰে শিক্ষা আৰু প্ৰশিক্ষণ দিব পাৰে আৰু যাতে তাই অলপ বেছি সময় আঁহজৰত (ছাঃ)ৰ লগত থাকিবলৈ সুবিধা পায় আৰু তাই (ৰাঃ)য়ে যেন এই মহান কামৰ দায়িত্ব বহন কৰাৰ যোগ্য হৈ উঠে, যি দায়িত্বৰ ভাৰ এজন নবীৰ পত্নীৰ ওপৰত আহি পৰে। গতিকে হজৰত আয়শা (ৰাঃ)য়ে মুছলমান মহিলা সকলৰ শিক্ষা আৰু প্ৰশিক্ষণৰ কাম এনেদৰে সম্পাদন কৰিছে যে যাৰ আৰু দ্বিতীয় উদাহৰণ বিশ্ব ইতিহাসত বিচাৰি পাবলৈ নাই। নবী (ছাঃ)ৰ হাদীছৰ এটা ডাঙৰ অংশ আৰু গুৰুত্বপূৰ্ণ অংশ হজৰত হজৰত আয়শা (ৰাঃ)ৰ ৰিৱায়তৰ ওপৰত বৰ্ণিত হৈছে। হজৰত আয়শা (ৰাঃ)ৰ দ্বাৰা বৰ্ণিত হাদীছৰ সংখ্যা দুই হাজাৰ দুশ দহটা লৈ আছে। হজৰত আয়শা (ৰাঃ)ৰ ধৰ্মীয় জ্ঞান ভাণ্ডাৰ ইমানেই গভীৰ আছিল যে ডাঙৰ ডাঙৰ চাহাবা সকলেও এই সম্পৰ্কে তাই (ৰাঃ)ৰ লগত যোগাযোগ কৰিবলগীয়া হৈছিল।

আঁহজৰত (ছাঃ)য়ে এঠাইত কৈছে যে মহিলা সকলৰ মাজত কামেলিয়ত অতি কমেই আছিল। ইয়াতে তেখেত (ছাঃ)য়ে ফিৰাউনৰ পত্নী আছিয়া আৰু মৰিয়ম বিনতে ইমৰানৰ কথা উল্লেখ কৰি কয় যে আয়শা মহিলা সকলৰ মাজত সেই ফজিলত লাভ কৰিব পাৰিছে যি ছৰিদে আৰবৰ বিভিন্ন ঠাইৰ পৰা লাভ কৰিছে। হজৰত আয়শা (ৰাঃ) আঁহজৰত (ছাঃ)ৰ মৃত্যুৰ পিছত প্ৰায় ৪৮ বছৰ কাল জীয়াই আছিল আৰু ৫৮ হিজৰীৰ ৰমজান মাহত মৃত্যু বৰণ কৰে। মৃত্যুৰ সময়ত তাইৰ বয়স হৈছিল ৬৮ বছৰ।

বদৰৰ যুদ্ধ বন্দী সকলৰ মাজত আঁহজৰত (ছাঃ)ৰ জীয়েক হজৰত জয়নব (ৰাঃ)ৰ গিৰিয়েক আবুল আচ আল ৰবিয়াও চামিল আছিল। তেওঁৰ মুক্তিৰ বাবে হজৰত জয়নব (ৰাঃ)য়ে মক্কাৰ পৰা নিজৰ গলৰ হাৰডাল পঠিয়াই দিয়ে। যি হাৰডাল তাইৰ বিয়াৰ সময়ত তাইৰ মাক হজৰত খাদিজা (ৰাঃ)য়ে তাইক দিছিল। আঁহজৰত (ছাঃ)য়ে যেতিয়া সেই হাৰডাল দেখিছিল, স্মৃতিয়ে তেখেত (ছাঃ)ৰ চকু সেমেকাই তুলিছিল আৰু চাহাবা সকলক কৈছিল যদি তোমালোকে সম্ভৱ বুলি বিবেচনা কৰা তেন্তে জয়নবৰ কয়েদী জনক ৰেহাই দিয়া আৰু তাইৰ এই হাৰডালও ঘূৰাই দিয়া। চাহাবা সকলে সেই কথাত সন্মতি দিছিল আৰু ৰছুলুল্লাহ (ছাঃ)য়ে আবুল আচক এই চৰ্ত সাপেক্ষে ৰেহাই দিছিল যে তেওঁ মক্কাত ওভতি যোৱাৰ পিছত তেওঁৰ পত্নী জয়নবক মদিনালৈ হিজৰত কৰাৰ অনুমতি দিব। সেই মতেই আবুল আচে মক্কাত গৈ হজৰত জয়নবক মদিনালৈ হিজৰত কৰাৰ অনুমতি দিছিল। ইয়াৰে কিছুদিন পিছত আবুল আচেও মদিনালৈ হিজৰত কৰে আৰু পতি পত্নী দুয়োজনে একেলগে দিন কটায়।

খোতবাৰ দ্বিতীয় অংশত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বৰ্তমানে বিশ্বৰ যি পৰিস্থিতি এই বিষয়ে মই সকলোকে দোৱা কৰিবলৈ আহ্বান জনাইছো। বৰ্তমানে চলি থকা যুদ্ধৰ ফলত এতিয়া দুয়োফালৰ চহৰীয়া মহিলা,ল'ৰা,বুঢ়া সকলোৱে মৃত্যুৰ মুখত পৰি প্ৰাণ হেৰুৱাই আছে।

ইছলামে কিন্তু যুদ্ধকালীন অৱস্থাত মহিলা, সৰু সৰু ল'ৰা-ছোৱালী আৰু যুদ্ধত অংশ গ্ৰহণ নকৰা সকলক মাৰি পেলোৱাৰ অনুমতি নিদিয়ে। আঁহজৰত (ছাঃ)য়ে এই বিষয়ে বৰ কঠোৰ নিৰ্দেশ জাৰি কৰিছে। গোটেই বিশ্বই আলোচনা কৰি আছে যে প্ৰথমে হামাছে যুদ্ধৰ সুত্ৰপাত ঘটাইছে। এই কথাৰ কিছু সত্যতাও আছে যে ইজৰাইলৰ সৈন্য বাহিনীয়ে আগতে পেলেষ্টাইনৰ লোকক হত্যা কৰিছে। যিয়েই নহওক মুছলমান সকলে ইছলামী শিক্ষা অনুযায়ী আমল কৰা উচিত হ'ব। ইজৰাইলৰ সৈন্য বাহিনীয়ে যি কৰিছে সেয়া তেওঁলোকৰ কৰণীয় কাম যদিও

সেয়া কৰাৰ এটা বিধান আছে। যদি কোনো বৈধ যুদ্ধ সংঘটিত হয় তেন্তে সেয়া সৈন্য বাহিনীৰ দ্বাৰা হ'ব পাৰে। সেই বুলি মহিলা,বুঢ়া আৰু ল'ৰা-ছোৱালীক আৰু নিদোষী সকলক যুদ্ধত হাঙুৰি ল'ব পৰা নাযায়।

এইটো ফালৰ পৰা গমি চালে দেখা যায় যে হামাছে যিটো প্ৰক্ৰিয়া হাতত লৈছে সেয়া ঠিক নহয়,তেওঁলোকৰেই বেছি ক্ষতি হৈছে। যিটো কাম হামাছে কৰিছে তাৰ প্ৰতিশোধমূলক কাৰ্য্য যদি হামাছলৈকে সীমাবদ্ধ থাকিল হয় তেন্তে ভাল আছিল। কিন্তু এতিয়া ইজৰাইল চৰকাৰে যিবোৰ কৰি আছে সেয়া চৰম বিপদজ্জনক কাম কৰি আছে। অনুমান হয় এই ধাৰাবাহিকতা আগলৈ নাথাকে। ইজৰাইলৰ চৰকাৰে ঘোষণা কৰিছিল যে তেওঁলোকে যুদ্ধ সম্পূৰ্ণ ৰূপে বাতিল কৰিব (অৰ্থাৎ জয়ী হোৱাৰ পিছত যুদ্ধ বন্ধ কৰিব) সেয়ে তেওঁলোকে একেধাৰে বোমা নিক্ষেপ কৰি গৈছিল আৰু সমস্ত চহৰ পুৰি ছাই কৰি পেলাইছে। এতিয়া আকৌ এটা নতুন পৰিস্থিতিৰ উদ্ভৱ হৈছে। তেওঁলোকে কৈ আছে যে এক মিলিয়নতকৈ বেছি লোকে যুদ্ধ এৰি ওলাই যাব লাগিব। ইয়াতে কৃপা হ'ল এয়া যে কিছুমানে কোনো মতে মৃত্যুৰ মুখৰ পৰা ৰক্ষা পাইছে, আন কিছুমানে একগোটে মাত মাতিছে যে এয়া আমাৰ মানৱ অধিকাৰ  খৰ্ব কৰি আছে। এওঁলোকে কঠোৰ বিৰোধীতাৰ সলনি এতিয়াও আবেদন নিবেদন কৰি আছে যে এয়া ভুল কাম কৰা হৈ আছে। যিয়েই নহওঁক চহৰৰ এই নিৰ্দোষ লোক সকল যিসকলে যুদ্ধত ভাগ লোৱা নাই, তেওঁলোকে নিৰাপত্তাহীনতাত ভুগিছে। যদি বিশ্বই ইজৰাইলৰ নাৰী আৰু ল'ৰা-ছোৱালী বিলাকক নিষ্পাপ বুলি গণ্য কৰি আছে তেন্তে পেলেষ্টাইনৰ মহিলা আৰু ল'ৰা-ছোৱালী বিলাকও নিষ্পাপ হয়। যদি মুছলমান সকলৰ ওপৰত দোষ জাপি দিয়া হৈ আছে যে সিহঁতে বেয়া কাম কৰি আছে তেন্তে তেওঁলোকেও নিজৰ কাৰ্য্য বিলাক অলপ গমি চাওঁক যে সিহঁতৰ কাম কিমান খিনি ন্যায় সঙ্গত হৈছে।

যিয়েই নহওঁক আমি বেছি বেছি দোৱা কৰাৰ প্ৰয়োজন আছে। পেলেষ্টাইনৰ দূতে কৈছে যে হামাছ এটা উগ্ৰপন্থীৰ দল। তেওঁলোক কোনো চৰকাৰ নহয়। লগতে তেওঁ প্ৰশ্ন উঠাইছে যে ইয়াতে কিয় ন্যায় প্ৰতিষ্ঠা হোৱা নাই। তাৰ এই প্ৰশ্ন শুদ্ধ কাৰণ যদি প্ৰকৃত ন্যায় বিচাৰ প্ৰতিষ্ঠা কৰা হ'ল হয় তেন্তে এনে পৰিস্থিতিৰ উদ্ভৱ নহ'লহেঁতেন। যদি ডাঙৰ ডাঙৰ শক্তি বিলাকে নিজৰ দমন নীতি পৰিহাৰ কৰিলেহেঁতেন তেন্তে এনেকুৱা অশান্তি আৰু যুদ্ধ নহ'লহেঁতেন। এই কথা বিলাক হুজুৰ আনোৱাৰ (আইঃ)য়ে উনুকিয়াই কয় যে মই আজি বহুদিনৰ পৰা ইছলামী শিক্ষাৰ আলোকত এনে পৰিস্থিতি সম্পৰ্কে জনাই আহিছো। কিন্তু সকলোৱে সন্মুখত কয় ঠিক আছে কিন্তু কথা বিলাকৰ ওপৰত আমল কৰিবলৈ চেষ্টা নকৰে। এতিয়া পশ্চিমীয়া ডাঙৰ ডাঙৰ শক্তিবিলাকে ন্যায় পৰিহাৰ কৰি পেলেষ্টাইনৰ ওপৰত দমন নীতি চলাবলৈ গোট খাই আছে আৰু চাৰিওফালৰ পৰা বাহিনী পঠোৱাৰ বন্দবস্ত কৰি আছে। মিডিয়াই ভুল সংবাদ প্ৰচাৰ কৰিবলৈ লৈছে। এওঁলোকৰ যাৰ লাঠি তাৰ ম'হ এই নীতিৰ ওপৰত চলিবলৈ আৰম্ভ কৰিছে। যাৰ হাতত বিশ্বৰ অৰ্থনীতিৰ ভাগডোৰ তাকেই এওঁলোকে ছালামি জনাই আছে। যদি গমি চোৱা যায় তেন্তে অনুমান হয় যে ডাঙৰ ডাঙৰ শক্তি বিলাকে যুদ্ধলৈ উদ্দগনি দিছে, যুদ্ধৰ সমল যোগাইছে। তেওঁলোকে যুদ্ধৰ অন্ত পেলাব নিবিচাৰে।

প্ৰথম বিশ্ব যুদ্ধৰ লীগ অফ নেচনচ গঠন কৰা হৈছিল কিন্তু ন্যায়ৰ অভাৱত সেয়া অচল হৈ পৰে আৰু দ্বিতীয় বিশ্ব যুদ্ধৰ সুত্ৰপাত ঘটে। সেই যুদ্ধত সাত কৌটি লোকে প্ৰাণ হেৰুৱাইছে। আকৌ U.N.O স্থাপন কৰা হয় কিন্তু ইয়াৰও অৱস্থা শোচনীয়া হৈ পৰিছে আৰু লাহে লাহে অচল হৈ আহিছে। এই সংস্থা ন্যায় প্ৰতিষ্ঠা আৰু বিশ্বৰ শান্তি প্ৰতিষ্ঠাৰ্থে গঠন কৰা হৈছিল আৰু নীতি অৱলম্বন কৰা হৈছিল যে এই সংস্থাৰ জৰিয়তে নীপিড়ীত নিস্পেক্ষিত সকলক ৰক্ষণা-বেক্ষণ দিয়া হ'ব। লগতে ভৰিষ্যতলৈ যুদ্ধ ৰহিত কৰা হ'ব। কিন্তু সেই উদ্দেশ্যৰ নাম পৰ্যন্ত বিলীন হৈ গৈছে। প্ৰত্যেকেই নিজৰ নিজৰ স্বাৰ্থৰ পিছত উঠি পৰি লাগিছে। বৰ্তমানে যেতিয়া এই অবিচাৰৰ পৰিপ্ৰেক্ষিতে যুদ্ধ সমৰ আৰম্ভ হ'ব, সাধাৰণ প্ৰজা বৰ্গই যুদ্ধৰ ফলশ্ৰুতিত হোৱা ক্ষতিৰ অনুমান কৰিব নোৱাৰিব।

এনে অৱস্থাত মুছলমান দেশ বোৰে বৰ সাৱধানতাৰে খোজ দিব লাগিব আৰু নিজৰ মাজৰ মতানৈক্য দূৰ কৰি

একতা স্থাপন কৰিব লাগিব। এয়াই হ'ল বিশ্বৰ বিবাদ দূৰ কৰাৰ একমাত্ৰ উপায়। একতা অৱলম্বন কৰি ন্যায় বিচাৰ প্ৰতিষ্ঠাৰ্থে আৰু অত্যাচাৰীত সকলৰ অধিকাৰ প্ৰতিষ্ঠাৰ্থে সকলোৱে মাত মাতিব লাগিব। এক হলে একতা আহিব,মাতত শক্তি আহিব, নহলে নিষ্পাপ মুছলমানৰ প্ৰাণ নষ্ট হোৱাৰ বাবে এওঁলোকেই দায়ী হ'ব লাগিব। অৰ্থাৎ মুছলমান দেশবোৰেই ইয়াৰ দায়িত্ব ল'ব লাগিব।

মুছলমান শক্তিবোৰৰ উচিত যে তেওঁলোকে যেন আঁহজৰত (ছাঃ)ৰ বাণী সদায় নিজৰ আগত ৰাখে যে জালিম আৰু মজলুম দুয়োকে সহায় কৰা। অৰ্থাৎ অত্যাচাৰীক অত্যাচাৰ কৰা এৰিবলৈ সহায় কৰা, আৰু নিপীড়িত সকলক অত্যাচাৰীৰ কবলৰ পৰা ৰেহাই পাবলৈ সহায় কৰা। আল্লাহ তা'লা মুছলমান শাসক সকলক প্ৰজ্ঞা,জ্ঞান,বুদ্ধি দান কৰক যাতে এওঁলোকে একতাবাদ হৈ ন্যায় প্ৰতিষ্ঠা কৰিব পাৰে বিশ্বৰ ডাঙৰ ডাঙৰ সমৰ শক্তিধাৰী সকলকও বিবেক দান কৰক যে এই বিশ্ব খনক যুদ্ধৰ কবললৈ ঠেলি দিয়াৰ সলনি তেওঁলোকে যেন ধ্বংসৰ কৰাল গ্ৰাসৰ পৰা বিশ্বক বচাবলৈ চেষ্টা কৰে। ডাঙৰ ডাঙৰ শক্তি বিলাকে মনত ৰখা উচিত যে যদি ধ্বংসৰ ক'লা ডাৱৰ নামি আহে তেন্তে তেওঁলোকেও নিৰাপদ নহয়।

আমাৰ হাতত দোৱাই অস্ত্ৰ গতিকে প্ৰত্যেকজন আহমদীয়েই বেছি বেছি দোৱা কৰা উচিত। কিছুমান আহমদী পৰিয়াল যুদ্ধৰ বেষ্টনীত পৰি আছে, আল্লাহ তা'লা তেওঁলোকক জানে-প্ৰাণে নিৰাপদ ৰাখক আৰু সকলো নিষ্পাপ সকলক নিৰাপদ ৰাখক।

আল্লাহ তা'লা হামাছক বিবেক দান কৰক আৰু এওঁলোকে নিজকে নিজে মানুহৰ ওপৰত অত্যাচাৰ কৰাৰ বাবে জিম্মাদাৰ বুলি ভাৱক। কোনো সম্প্ৰদায়ৰ শত্ৰুতা প্ৰতিশোধেৰে যেন দূৰ কৰা নহয়, এয়াই কোৰাণৰ আদেশ। আল্লাহ তা'লা ডাঙৰ ডাঙৰ শক্তি বিলাকক তৌফিক দান কৰক যাতে তেওঁলোকে ন্যায় বিচাৰৰ মাজেৰে শান্তি প্ৰতিষ্ঠা কৰোঁতা হয়। আল্লাহ কৰক আমি যেন জগতত শান্তি আৰু আনন্দ বিৰাজমান দেখিবলৈ পাওঁ। আমীন-

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে দুজন মৰহুম মকৰম ডাক্তৰ বশিৰ আহমদ খান চাহাব আফ লণ্ডন (জানাজা হাজিৰ) আৰু মকৰমা আছিমা বেগম চাহিবা পত্নী ডাক্তৰ শ্বফিক ছেহেগাল চাহাব পাকিস্তানৰ চমু পৰিচয় দি নামাজে জানাজা পঢ়াৰ ঘোষণা কৰে। আল্লাহ তা'লা মৰহুমিন সকলৰ মৰ্যদা উন্নীত কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰه رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 13 October 2023**

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................

..............................................................................................................

..............................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844